# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 22-02-2025
**Time :** 1800 Hrs

# *Assamese Evening Bulletin*

- - - - - - - - - - - - - - -

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই আজি আই আই টি গুৱাহাটীত থিংক ইণ্ডিয়া উত্তৰ-পূব সন্মিলনৰ শুভাৰম্ভ কৰে। অনুষ্ঠানত দিয়া ভাষণত ৰাজ্যপালগৰাকীয়ে ভাৰত বিশ্বৰ অন্যতম শক্তিশালী ৰাষ্ট্ৰ হিচাপে পৰিগণিত হোৱাৰ ক্ষেত্ৰত উত্তৰ-পূৰ্বাঞ্চলৰ বৃহৎ অৱদান আছে বুলি মন্তব্য কৰে। তেওঁ উত্তৰ-পূৰ্বাঞ্চলক বিষয় হিচাপে এই সন্মিলনৰ আয়োজন কৰাৰ পদক্ষেপক প্ৰশংসা কৰে। অসমৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ ঐতিহ্য, জৈৱ বৈচিত্ৰ আৰু যুৱ প্ৰজন্মৰ সামৰ্থ, অঞ্চলটোত দেশৰ অমৃতকালত উন্নয়ন আৰু বিকাশৰ অন্যতম কেন্দ্ৰ হিচাপে গঢ় লৈ উঠাৰ কাৰণ বুলিও ৰাজ্যপালগৰাকীয়ে প্ৰকাশ কৰে। এই সন্মিলনৰ আলোচনাসমূহে শিক্ষা, বহনক্ষম উন্নয়ন আৰু অৰ্থনৈতিক সৰলীকৰণৰ বিভিন্ন দিশত আলোকপাত কৰাৰ লগতে উত্তৰ-পূবক প্ৰগতিৰ শিখৰলৈ লৈ যোৱাত অৰিহণা যোগাব বুলি শ্ৰীআচাৰ্যই মন্তব্য কৰে। দক্ষিণ পূব এছিয়াৰ প্ৰৱেশদ্বাৰ হিচাপে উত্তৰ-পূৰ্বাঞ্চলৰ কৌশলগত দিশত থকা গুৰুত্বৰ বিষয়ে উল্লেখ কৰি ৰাজ্যপালগৰাকীয়ে কয়, যে বিভিন্ন ভৌগোলিক আৰু অন্যান্য প্ৰত্যাহ্বান স্বত্তেও অঞ্চলটো সকলো দিশত আগবাঢ়ি গৈছে। নিজৰ ভাষণৰ সামৰণিত ৰাজ্যপালগৰাকীয়ে অঞ্চলটোৰ যুৱ প্ৰজন্মৰ সামৰ্থক আশা প্ৰকাশ কৰাৰ লগতে তেওঁলোকৰ উদ্ভাৱন ক্ষমতাই উত্তৰ-পূৰ্বাঞ্চলৰ সম্ভাৱনাক বাস্তৱায়িত কৰিব বুলিও মন্তব্য কৰে। এই অনুষ্ঠানত আই আই টি গুৱাহাটীৰ সঞ্চালক, অধ্যাপক দেৱেন্দ্ৰ জালিহালৰ লগতে ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

ooooo

অসমৰ চাহ শিল্পৰ ২০০ বছৰীয়া চহকী ঐতিহ্য উদযাপনৰ উদ্দেশ্যে ৰাজ্য চৰকাৰে আয়োজন কৰা ঝুমইৰ বিনন্দিনী অনুষ্ঠানৰ সৰুসজাইত চলি থকা কেন্দ্ৰীয় আখৰাত ৰাজ্যৰ ৯ হাজাৰৰো অধিক শিল্পীয়ে ভাগ লৈছে। পৰহিলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপস্থিতিত অনুষ্ঠিত হ'বলগীয়া এই সৰ্ববৃহৎ ঝুমুৰ নৃত্য অনুষ্ঠানত বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰ উপস্থিত থাকিব। আজি এই উদ্দেশ্যে অনুষ্ঠিত এখন সংবাদমেলত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত কেন্দ্ৰীয় চৰকাৰে অসমৰ চাহ জনগোষ্ঠী সম্প্ৰদায়ক বিশেষ গুৰুত্ব প্ৰদান কৰিছে বুলি উল্লেখ কৰে। কৃষিমন্ত্ৰী অতুল বৰাই সৰুসজাইত আজি চলি থকা ঝুমুৰ নৃত্য পৰিবেশনৰ আখৰাত উপস্থিত হৈ অনুষ্ঠানৰ প্ৰস্তুতিৰ বুজ লোৱাৰ লগতে নৃত্যশিল্পীসকলক উৎসাহ প্ৰদান কৰে। জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই বহু প্ৰত্যাশিত ঝুমইৰ বিনন্দিনী অনুষ্ঠানে অসমৰ সাংস্কৃতিক ক্ষেত্ৰত নতুন অধ্যয়ৰ সূচনা কৰিব বুলি মন্তব্য কৰিছে। আজি এই উদ্দেশ্যৰে মন্ত্ৰীগৰাকীয়ে গুৱাহাটীত এখন দলীয় সভাত অংশগ্ৰহণ কৰি অনুষ্ঠানটো সৰ্বতোপ্ৰকাৰৰ সফলতা সুনিশ্চিত কৰিবলৈ সমবেতসকলক আহ্বান জনায়।

ooooo

২০২৫-২৬ বৰ্ষৰ কেন্দ্ৰীয় বাজেট সন্দৰ্ভত আজি শিৱসাগৰত এখন নাগৰিক সভা অনুষ্ঠিত হয়। এই সভাত শিৱসাগৰৰ কেইবাখনো মহাবিদ্যালয়ৰ অধ্যক্ষ আৰু অধ্যাপকে এই বাজেট সন্দৰ্ভত মত প্ৰকাশ কৰে। শিৱসাগৰ জিলা বিজেপিয়ে আজি এখন সংবাদমেলযোগে এই বাজেট সন্দৰ্ভত অৱগত কৰে। সংবাদমেলত মন্ত্ৰী যোগেন মহনে বাজেটখনক জনমুখী বুলি অভিহিত কৰি ইয়াৰ পৰা জনসাধাৰণে লাভ কৰিবলগীয়া সা-সুবিধা সম্পৰ্কে উল্লেখ কৰে। বাজেটত উত্তৰ-পূৰ্বাঞ্চলক বিশেষ গুৰুত্ব দিয়া হৈছে বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কৃষক, ক্ষুদ্ৰ উদ্যোগ, জল পৰিবহণ, শিক্ষা, স্বাস্থ্য তথা দৰিদ্ৰ সীমাৰেখাৰ তলৰ লোকসকলৰ বাবে ধাৰ্য কৰা আঁচনিসমূহৰ বিষয়ে জানিবলৈ দিয়ে। চৰাইদেউ আৰু শিৱসাগৰ জিলাৰ পৰ্যটন ক্ষেত্ৰৰ উন্নয়নৰ বাবে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে গ্ৰহণ কৰা পদক্ষেপৰ বিষয়েও শ্ৰীমহনে উল্লেখ কৰে। তেওঁ বাজেটত ধাৰ্য কৰা আঁচনিসমূহৰ সুবিধা ৰাইজক গ্ৰহণ কৰিবলৈ আহ্বান জনায়।

ooooo

যোৰহাট জিলাৰ বিভিন্ন স্থানত আজি ধ্বনি কবি বিনন্দ চন্দ্ৰ বৰুৱা ৩১ সংখ্যক মৃত্যু তিথি উদযাপন কৰা হৈছে। কবি সন্মিলন আৰু মুকলি সভাৰ আয়োজনেৰে প্ৰয়াত কবিগৰাকীক যোৰহাট, টীয়ক আৰু মৰিয়নিৰ বৌদ্ধিক সমাজে আজি স্মৰণ কৰে। ১৯০১ চনত যোৰহাটৰ টীয়কত জন্মগ্ৰহণ কৰা বিশিষ্ট সাহিত্যিকগৰাকীয়ে ১৯৬৬ চনত অসম সাহিত্য সভাৰ লখিমপুৰ অধিবেশনত সভাপতিত্ব কৰিছিল। শংখধ্বনি, প্ৰতিধ্বনি, জয়ধ্বনি, ফুলকলি ইত্যাদি কবিতাপুথিৰে ৰাজ্যৰ সাহিত্য জগতলৈ উল্লেখযোগ্য বৰঙণি আগবঢ়োৱা বিনন্দ চন্দ্ৰ বৰুৱাৰ অন্ত্যমিলযুক্ত ছন্দৰ কবিতাসমূহৰ কাৰণে তেওঁক ধ্বনি কবি অভিধা দিয়া হয়। কবিতাৰ লগতে সাহিত্যিকগৰাকীয়ে  টিটি হেয়, বেঙেনাৰ ৰহস্য ইত্যাদি খুহতীয়া ব্যংগ ৰচনা আৰু শিশু উপযোগী গ্ৰন্থও ৰচনা কৰিছিল। নজনা বীৰৰ মূৰ, গড়গাঁৱৰ দৰে তেওঁৰ কবিতাতো সামাজিক ব্যংগৰ প্ৰভাৱ পৰিলক্ষিত কৰিব পাৰি।

ooooo

অৰুণোদয় আঁচনিৰ তৃতীয় পৰ্যায় ৰূপায়ণৰ এখন নিৰীক্ষণ সমিতিৰ বৈঠক আজি লখিমপুৰ জিলাৰ আয়ুক্তৰ কাৰ্যালয়ত অনুষ্ঠিত হয়। বৈঠকত ভিডিঅ' কনফাৰেন্সৰ জৰিয়তে লখিমপুৰ জিলাৰ অভিভাৱক মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে অংশগ্ৰহণ কৰে। ইয়াৰ লগতে বিহপুৰীয়া সমষ্টিৰ বিধায়ক অমিয় কুমাৰ ভূঞা, ঢেকিয়াখানাৰ বিধায়ক নব দলে আৰু লখিমপুৰ স্থানীয় বিধায়ক মানৱ ডেকাই এই বৈঠকত অংশ লয়।

ooooo

সমাপ্ত